# অনা-বেংকিং বিত্তীয় কোম্পানীৰ (এন বি এফ চি)ৰ

## জমা কৰ্ত্তা সকলৰ সতৰ্কতাৰ বাবে

- আপোনাৰ ধন অনা-বেংকিং বিত্তীয় কোম্পানী (এন বি এফ চি)ত জমা কৰাৰ আগতে নিশ্চিত হওক যে এন বি এফ চি (NBFC) টো ডিপ'টিজ (Deposit) গ্ৰহণকাৰী কোম্পানী হিচাপে ভাৰতীয় ৰিজাৰ্ভ বেংকত পঞ্জীয়নভুক্ত হৈছে।
- যিবোৰ এন বি এফ চিৰ (NBFC) পঞ্জীয়ন প্ৰমাণ-পত্ৰৰ আবেদন ভাৰতীয় ৰিজাৰ্ভ বেংকে অগ্ৰাহ্য নাইবা নাকচ কৰিছে, তেনে এন বি এফ চি য়ে নতুনকৈ ডিপ'জিট গ্ৰহণ নাইবা বৰ্তমানে থকা ডিপ'জিটৰ @ নবীকৰণঃ কোনোটোৱেই কৰিব নোৱাৰে।
- ভাৰতীয় ৰিজাৰ্ভ বেংকে দিয়া পঞ্জীয়ন পত্ৰই এন বি এফ চিক কেৱল পঞ্জীয়ন ব্যৱসায় পৰিচালনাৰ কৰ্তৃত্বহে প্ৰদান কৰে। মূলধনৰ প্ৰতিভুক্তানৰ বা আৰ্জিত সুদৰ গেৰাণ্টি ভাৰতীয় ৰিজাৰ্ভ বেংকে নলয় আৰু কোনো চৰকাৰী এজেন্সীৰ দ্বাৰা সেইবোৰ বীমাকৃত নহয়।
- ইকুইপমেণ্ট লিজিং, হায়াৰ পাৰ্চেজ কোম্পানী বা অৱশিষ্ট এন বি এফ চিৰ (Residuary NBFC) ৰ বাহিৰে যিবোৰ এন বি এফ চিয়ে ডিপ'জিট গ্ৰহণ কৰে, তেনে ডিপ'জিট সংগ্ৰহ আঁচনিৰ বাবে ন্যূনতম বিনিয়োগৰ আস্থামান কোনো স্বীকৃতি প্ৰাপ্ত আস্থামান নিৰ্ণয়কাৰী এজেন্সীৰ দ্বাৰা প্ৰদান কৰা হ'ব লাগিব।

**এন বি এফ চিয়ে কৰিব নোৱাৰে—**

- ⇨ ভাৰতীয় ৰিজাৰ্ভ বেংকৰ দ্বাৰা নিৰ্দ্ধাৰিত সুদৰ হাত (বৰ্তমানে বছৰি ১২.৫%) তকৈ অধিক সুদৰ হাৰ প্ৰদান।
- ⇨ জনসাধাৰণৰ পৰা ডিপ'জিট বিচাৰি উপহাৰ/উৎসাহ দানৰ প্ৰস্তাৱৰ প্ৰৱৰ্ত্তন।
- ⇨ ১২ (বাৰ) মাহতকৈ কম আৰু ৬০ (ষাঠি) মাতককৈ অধিক অৱধিৰ ডিপ'জিট সংগ্ৰহ।

- অ-নিগমিত নিকায় সমূহ যেনে ব্যক্তি, স্বত্বাধিকাৰী আৰু অংশীদাৰী ব্যৱসায় প্ৰতিষ্ঠান— এইবোৰৰ ভিতৰতে যিবোৰে ঋণ আৰু অগ্ৰিম প্ৰদান, লিজিং আৰু হায়াৰ পাৰ্চেজ ব্যৱসায়ৰ লগত জড়িত, এই নিকায় সমূহে জনসাধাৰণৰ পৰা ডিপ'জিট গ্ৰহণ কৰিব নোৱাৰে।
- কোম্পানীৰ নাম উল্লেখ থকাকৈ উচিত ৰছিদ প্ৰদানৰ বিপৰীতেহে এন বি এফ চি য়ে ডিপ'জিট গ্ৰহণ কৰিব পাৰিব আৰু কৰ্তৃত্ব প্ৰাপ্ত বিষয়াৰ দ্বাৰা স্বাক্ষৰিত ৰছিদত ডিপ'জিটৰ তাৰিখ, জমাকৰ্ত্তাৰ নাম, ডিপ'জিট হিচাপে কোম্পানীয়ে গ্ৰহণ কৰা ধনৰ পৰিমাণ আখৰেৰে আৰু সংখ্যাৰে, সুদৰ হাৰ আৰু ডিপ'জিটৰ ক্ৰমে ভুক্তান আৰু প্ৰতি ভুক্তানৰ তাৰিখ উল্লেখ কৰিব লাগিব।
- যদিহে ডিপ'জিট গ্ৰহণকাৰী এন বি এফ চি য়ে ডিপ'জিট নাইবা আৰ্জিত সুদৰ হাৰ ক্ৰমে প্ৰতিভুক্তান আৰু ভুক্তানত ব্যৰ্থ হয়, তেন্তে ভুক্তভোগী জমাকৰ্ত্তাজনে তেখেতৰ ওজৰ-আপত্তিৰ প্ৰতিকাৰৰ বাবে তলত উল্লেখিত এজেন্সীৰ ওচৰ চাপিব পাৰে।
  - ⇨ জিলা স্তৰত গ্ৰাহকৰ অভিযোগ প্ৰতিকাৰৰ ফ'ৰাম (Consumer Dispute Redressal Forum) বা
  - ⇨ কোম্পানী আইন ব'ৰ্ডৰ আঞ্চলিক বেঞ্চ (Regional Bench of the Company Law Board)
- বৃক্ষ ৰোপণ, বয়-বস্তুৰ বেহা, তৈয়াৰীকৰণ, গৃহ নিৰ্মাণ বিত্ত, বহুমুখী বিপণন কোম্পানী, নিধি সমূহ, পাৰস্পৰিক লাভালাভ বিত্তীয় কোম্পানী সমূহ (Mutual Benefit Financial Companies) সম্ভাব্য নিধিসমূহ ( Potential Nidhis), পাৰস্পৰিক লাভালাভ কোম্পানী (Mutual Benefit Company) আৰু একত্ৰিত বিনিয়োগ আঁচনি (Collective Investment Scheme) আদি কাৰ্য্যত জড়িত কোম্পানীৰ ডিপ'জিট সংগ্ৰহ আঁচনি সমূহ ভাৰতীয় ৰিজাৰ্ভ বেংকৰ নিয়ন্ত্ৰণৰ গণ্ডীত নপৰে।

@ যিবোৰ কোম্পানীৰ পঞ্জীয়ন প্ৰমাণ পত্ৰ ( Certificate of Registration) ৰ আবেদন ভাৰতীয় ৰিজাৰ্ভ বেংকে নাকচ কৰিছে সেইবোৰৰ তালিকা বাতৰি কাকত সমূহত প্ৰকাশিত হয় আৰু ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ৱেব চাইট্ www.rbi.org.in ত পোৱা যায়।

◆ এন বি এফ চি (NBFC) অৰ্থাৎ অনা বেংকিং বিত্তীয় কোম্পানী (Non Banking Financial Company) বুলিলে ঋণ প্ৰদানকাৰী কোম্পানী, বিনিয়োগ কোম্পানী, হায়াৰ পাৰ্চেজ কোম্পানী, ইকুইপমেণ্ট লিজিং কোম্পানী আৰু অৱশিষ্ট এন বি এফ চি (Residuary NBFC) ক অন্তৰ্ভুক্ত কৰে।

জনস্বাৰ্থৰ হকে প্ৰচাৰিত

**ভাৰতীয় ৰিজাৰ্ভ বেংক**

www.rbi.org.in